দৈনিক অসম
গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

Naamghar Association of America
ESTD. 2016

দৈনিক অসম, গুৱাহাটী, দেওবাৰ, ২৬ জুলাই, ২০২০


# 'নামঘৰ এছ'চিয়েচন অব্ এমেৰিকা'ৰ অনলাইন বক্তৃতা অনুষ্ঠান সম্পন্ন

চন্দনজ্যোতি বৰা

**নগাঁও, ২৫ জুলাই ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আধ্যাত্মিক চিন্তা আৰু আদৰ্শ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো প্ৰচাৰৰ লগতে বহিঃৰাষ্ট্ৰত থকা অসমীয়া নৱ প্ৰজন্মক গুৰুজনাৰ আদৰ্শৰ লগত পৰিচয় কৰি দিয়াৰ উদ্দেশ্যৰে ২০১৬ চনত আমেৰিকা নিবাসী প্ৰবাসী অসমীয়াসকলে গঠন কৰিছিল এটা সংগঠনৰ। সংগঠনটোৰ নাম হৈছে 'নামঘৰ এছ'চিয়েচন অব্ এমেৰিকা' চমুকৈ 'নাম'। সংগঠনটোৱে আউনিআটি সত্ৰৰ সত্ৰাধিকাৰ পিতাম্বৰ দেৱ গোস্বামীকো আমন্ত্ৰণ জনাইছিল আৰু ২০১৭ চনত গুৰু আসন প্ৰতিষ্ঠা কৰিছিল। শেহতীয়াকৈ কোভিড-১৯ সংক্ৰমণৰ এই ভয়াবহ আৰু জটিল সময়ছোৱাত সংগঠনটোৱে গ্ৰহণ কৰিছে এক বিশেষ পদক্ষেপ। গুৰুজনাৰ আধ্যাত্মিক আদৰ্শৰ শক্তিৰে মানসিকভাৱে সবল হৈ কোভিড-১৯ৰ বিৰুদ্ধে যুঁজ দিবৰ বাবেই সংগঠনটোৱে আয়োজন কৰে এক বক্তৃতা অনুষ্ঠান। 'জুম' নামৰ টেলিভিডিঅ' কনফাৰেন্সৰ জৰিয়তে আয়োজন কৰা এই বক্তৃতা অনুষ্ঠানত অংশগ্ৰহণ কৰে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যাপক তথা বিশিষ্ট শংকৰী দৰ্শনৰ গৱেষক ড° সঞ্জীৱ কুমাৰ বৰকাকতীয়ে। যোৱা ১৯ জুলাইত ভাৰতীয় সময় মতে নিশা আঠ বজাত অনুষ্ঠিত হয় এই বক্তৃতা অনুষ্ঠান। ড° বৰকাকতীয়ে 'আধ্যাত্মিক মানৱতাবাদী শ্ৰীমন্ত শংকৰদেৱ' শীৰ্ষক বিষয়ত আলোকপাত কৰে। ড° বৰকাকতীয়ে ভাষণ প্ৰসংগত কয়— 'শ্ৰীমন্ত শংকৰদেৱ এজন বিশ্ব নাগৰিক। তেওঁ আধ্যাত্মিক মানৱতাবাদী ব্যক্তি আছিল। তেওঁৰ দৃষ্টিয়ে সমগ্ৰ মানৱজাতিক সামৰি লৈছিল। তেওঁ সংকীৰ্ণতাবাদী নাছিল। শ্ৰীমন্ত শংকৰদেৱৰ বিশ্ব দৃষ্টি বৰ্তমান গোটেই মানৱজাতি কোভিড-১৯ৰ সংক্ৰমণৰ বিৰুদ্ধে যুঁজিবলৈ একত্ৰিত হৈ পৰাৰ সময়ত অধিক প্ৰাসংগিক হৈ পৰিছে। তেওঁৰ নিঃস্বাৰ্থ প্ৰেমে সমগ্ৰ মানৱজাতিকে সামৰি লৈছে।' ড° সঞ্জীৱ কুমাৰ বৰকাকতীয়ে লগতে কয় যে শ্ৰীমন্ত শংকৰদেৱে সমাজৰ দুৰ্বলতাবোৰ ভালদৰে চিনি পাইছিল আৰু এই দুৰ্বলতাবোৰ দূৰ কৰিছিল। তেওঁ প্ৰবৰ্তন কৰা একশৰণ নাম ধৰ্ম কেৱল ধাৰ্মিক ক্ষেত্ৰতেই প্ৰভাৱী নাছিল। সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰতো ইয়াৰ প্ৰভাৱ আছিল। ভগৱানৰ আৰাধনাৰ ঠাই কীৰ্তন ঘৰ বা নামঘৰ গণতান্ত্ৰিক প্ৰমূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত। য'ত সকলো মানুহৰে সম অধিকাৰ আছে। তেওঁ প্ৰবৰ্তন কৰা ব্যৱস্থাত বৈষম্য নাছিল। অনুষ্ঠানটোৰ আঁত ধৰে তথ্য কাৰিকৰী বিশেষজ্ঞ শ্যাম দেৱ চৌধুৰী আৰু ভৱানী শৰ্মাই। 'নামঘৰ এছ'চিয়েচন অব্ এমেৰিকা' নামৰ সংগঠনটোৰ অধ্যক্ষৰ দায়িত্বত আছে প্ৰবাসী অসমীয়া ড° বিনয় কুমাৰ বৰদলৈ আৰু সম্পাদকৰ দায়িত্বত আছে শ্যাম দেৱ চৌধুৰী। অন্য সদস্যসকল হৈছে— নিৰজ বৰবৰা, ড° সঞ্জীৱ ভূএগ, নীৰেন চৌধুৰী, সুৰঞ্জন হাজৰিকা আৰু কোষাধ্যক্ষ হিচাপে আছে ড° পূৰ্ণধৰ শৰ্মা। এইসকলৰ উপৰি এই সংগঠনটোৰ বিভিন্ন দায়িত্বত আছে ললিত বৰা, প্ৰণৱ বৰা, উৎপল বৰা, মনোৰঞ্জন বৰদলৈ, মণিদীপা বৰদলৈ, সুশান্ত বৰদলৈ, মালবিকা ব্ৰহ্ম, দেবজিৎ চৌধুৰী, নীৰেন চৌধুৰী, ড° প্ৰদীপ দাস, হেমাংগ দত্ত, পাঞ্চালী দত্ত, সৌমিক দত্ত, প্ৰাণদীপ গগৈ, কমলাক্ষী হাজৰিকা, সুৱঞ্জয় হাজৰিকা, ড° যুক্তি হাজৰিকা, ৰশ্মি কলিতা, ৰচনা নাথ, সঙ্কাৰ নেওগ আৰু অনু পাৰ্লমেটাৰ।